# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-12-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
***HEADLINES***

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত জলসম্পদ বিভাগৰ অধীনত ৰূপায়ণ কৰা বহুকেইটা কাৰ্যসূচী পৰিদৰ্শন কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধী কামকাজৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া জিলাৰ ফেলাই গাঁৱত  ব্ৰহ্মপুত্ৰৰ সোঁতে ছিঙি নিয়া মথাউৰীৰ পুনৰ নিৰ্মিত প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিছোৱা পৰিদৰ্শন কৰে। তেওঁ লগতে জিলাখনৰ বৰগুড়ি তিনি আলিত নিৰ্মাণৰত জলসম্পদ বিভাগৰ তিনিচুকীয়া সংমণ্ডৰ কাৰ্যালয়ৰ কাম পৰিদৰ্শন কৰি আন্তঃগাঁথনিৰ বুজ লয়। শ্ৰী হাজৰিকাই শদিয়াৰ চপাখোৱাত কুণ্ডিল নৈৰ সমীপত জলাশয় নিৰ্মাণৰ বাবে চিহ্নিত ক্ষেত্ৰও পৰিদৰ্শন কৰে। বিধায়ক বলিন চেতিয়া, মৰাণ স্বয়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণকে ধৰি জলসম্পদ বিভাগৰ কেইবাগৰাকী মুখ্য অভিযন্তাই আজি মন্ত্ৰীগৰাকীক সংগ দিয়ে।

ইয়াৰ আগতে মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাত জলসম্পদ বিভাগৰ কামকাজ পৰ্যালোচনা কৰে। শ্ৰী হাজৰিকাই পাছত সাংবাদিকক কয়, যে জিলাখনত বান আৰু খহনীয়াৰ সমস্যাৰ স্থায়ী সমাধানৰ বাবে ইতিমধ্যে বহুখিনি কাম সম্পূৰ্ণ কৰা হৈছে আৰু জলাশয় সৃষ্টি কৰি পানী সংৰক্ষণ কৰিব পাৰি নেকি এই বিষয়েও  চিন্তা-চৰ্চা কৰা হৈছে।

০০০

অসম বিদ্যালয় শিক্ষা পৰিষদ দ্বিতীয় মণ্ডলৰ অধীনত এই বছৰৰ এপ্ৰিল-মে' মাহত অনুষ্ঠিত অসম ৰাজ্যিক মুক্ত বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ফলাফল কালি ঘোষণা কৰা হৈছে। এই পৰীক্ষাৰ ফলাফল বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.ahsec.assam.gov.in ত উপলব্ধ হৈছে বুলি এটা বিজ্ঞপ্তিত কোৱা হৈছে।

০০০

বিদ্যুৎ খণ্ডক ব্যক্তিগতকৰণৰ প্ৰস্তাৱৰ বিৰুদ্ধে আজি দেশৰ লগতে ৰাজ্যৰ  বিভিন্ন প্ৰান্তত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিদ্যুৎ কৰ্মচাৰী আৰু  অভিযন্তাৰ ৰাষ্ট্ৰীয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত  গুৱাহাটীৰ বিজুলী ভৱনত কৰ্মচাৰীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি সমন্বয়ৰক্ষী সমিতিৰ যুটীয়াভাৱে দীপক কুমাৰ সাহা, প্ৰমোদ চন্দ্ৰ দাস আৰু অমিত কৰৰ লগতে বহুকেইজন নেতাই ব্যক্তিগতকৰণৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ চৰকাৰলৈ  আহ্বান জনায়। গোলাঘাট শক্তি বিতৰণ কোম্পানীৰ সহকাৰী মহা প্ৰৱন্ধকৰ কাৰ্যালয়ৰ সন্মুখতো আজি বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিদ্যুৎ কৰ্মচাৰী আৰু অভিযন্তাসকলে দুঘণ্টীয়া বিক্ষোভ  কাৰ্যসূচীত অংশ লৈ ব্যক্তিগতকৰণৰ প্ৰস্তাৱৰ বিৰোধিতা কৰে।  বঙাইগাওঁ, বিলাসীপাৰা আৰু মঙলদৈকে ধৰি ৰাজ্যখনৰ আন ভালেমান অঞ্চলতো আজি বিদ্যুৎ খণ্ডৰ ব্যক্তিগতকৰণৰ বিৰুদ্ধে বিক্ষোভ কাৰ্যসূচী পালন কৰাৰ বাতৰি আমালৈ আহিছে।

০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে চাহ বাগিচা অঞ্চলৰ বিদ্যালয়ৰ সময়সূচী কিছু সালসলনি কৰিছে। এই সন্দৰ্ভত  বিদ্যালয় শিক্ষা বিভাগৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি চাহ বাগিচা অঞ্চলৰ নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰিৱৰ্তে চাৰে ৮ বজাত আৰম্ভ হ'ব। একেদৰে ছুটীৰ সময় ১২ বাজি ১৫ মিনিটৰ পৰিৱৰ্তে ১ বাজি ১৫ মিনিটলৈ বৃদ্ধি কৰা হৈছে। একেদৰে উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদান চাৰে ৭ বজাৰ পৰিৱৰ্তে চাৰে আঠ বজাত আৰম্ভ হ'ব আৰু ছুটীৰ সময় পূৰ্বৰ এক বজাৰ সলনি দুই বজাত হ'ব। ইতিমধ্যে ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকে সকলো জিলা শিক্ষা বিষয়ালৈ জাননী জাৰি কৰি শীঘ্ৰে এই সময়সূচী কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে।

০০০

গোলাঘাট জিলাৰ সৰুপথাৰত আজিৰে পৰা নেপালী সাহিত্য সভাৰ ১৬ সংখ্যক ত্ৰিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছে। বোকাখাট আৰু কাৰ্বি আংলং জিলা সমিতিৰ সহযোগত আয়োজিত অধিবেশনৰ লগতে সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰো অনুষ্ঠিত হৈছে।  আজি প্ৰথম দিনা প্ৰতিনিধি পঞ্জীয়নৰ লগতে প্ৰতিনিধি উদ্বোধন কৰা হয়। অধিবেশনৰ লগত সংগতি ৰাখি কাইলৈ পতাকা উত্তোলন, স্বচ্ছতা অভিযান, স্মৃতি তৰ্পন, গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

০০০

মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক বাসৰ শৰ্মাৰ আজি পুৱা মঙলদৈৰ জিতেন্দ্ৰ নগৰৰ নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত শৰ্মাৰ বয়স হৈছিল ৮৫ বছৰ। ছিপাঝাৰৰ ব্যাসপাৰা সেৰক হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক শৰ্মাই গোলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ধুবুৰী বালিকা হাইস্কুলতো শিক্ষকতা কৰিছিল। পৰৱৰ্তী সময়ত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে যোগদান কৰা শৰ্মাই ২০০১ চনত চাকৰি জীৱনৰ পৰা অৱসৰ লয়। তেওঁ মঙলদৈ চপাইৰ বানেশ্বৰ ডেকা প্ৰাথমিক বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক আছিল। শিক্ষকতাৰ লগতে বহু সামাজিক কামত জড়িত থকা শৰ্মাৰ মৃত্যুত মঙলদৈৰ বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০

সমাপ্ত